সেই সময়ত পালন কৰা ভূমিকাৰ কঠোৰ সমালোচনা কৰিছিল আৰু সংঘৰ্ষ নিয়ন্ত্ৰণ তথা সংঘৰ্ষৰ দ্বাৰা আক্ৰান্ত হোৱা লোক সকলক সাহাৰ্য্য আৰু নিৰাপত্তা দিয়াত ব্যৰ্থ হৈছিল বুলি অভিযোগ তুলিছিল। এই ক্ষেত্ৰত সংঘৰ্ষত প্ৰত্যক্ষ বা পৰোক্ষ ভূমিকা পালন কৰা লোকসকলক শাস্তি প্ৰদানৰ বেলিকাও চৰকাৰে কোনো সঠিক পদক্ষেপ নোলোৱাৰ অভিযোগ উঠিছিল।

এই সমগ্ৰ ঘটনাৰাজীয়ে ৰাজনৈতিক কাৰণত ধৰ্মৰ প্ৰয়োগে সৃষ্টি কৰা ভয়াবহতাৰ ইংগিত বহন কৰে। এনে কাৰ্য্য গণতন্ত্ৰৰ সম্পূৰ্ণ পৰিপন্থী তথা ক্ষতিকাৰক। বাবৰি মছজিদ ধ্বংস আৰু গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষই ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থা আৰু ধৰ্মনিৰপেক্ষ নীতিত বৃহৎ আঘাট কৰে। এনেধৰণৰ ঘটনা পুনৰ সংঘটিত যাতে নহয় তাৰ প্ৰতি সকলোৰে লক্ষ্য ৰাখিব লাগে।

অযোধ্যাকাণ্ড ঘটনাৰ বিতৰ্কৰ উপৰিও ভাৰতৰ বিভিন্ন ৰাজ্যত মাজে মাজে কিছুমান সাম্প্ৰদায়িক সংঘৰ্ষই বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ মাজত হিংসা, বিদ্বেষৰ ভাৱ সৃষ্টি কৰে। যেতিয়ালৈকে ভাৰতৰ সমাজ ব্যৱস্থা ধৰ্ম নিৰপেক্ষ নহয়, বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ মাজত সহিষ্ণুতাৰ ভাৱ জাগ্ৰিত নহয়, মানুহৰ মাজত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক বৈষম্য আঁতৰ নহয় তেতিয়ালৈকে ভাৰতত সাম্প্ৰদায়িকতাবাদে খোপনি পুতি থাকিব।

## সম্ভাব্য প্ৰশ্নাৱলী

**(ক) অতি চমু প্ৰশ্ন (Very short question) ঃ**

(১) 'ধৰ্মনিৰপেক্ষ' শব্দটো পোন প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

Who used for the first time the word 'Secularism'?

(২) 'ধৰ্ম নিৰপেক্ষতা' সম্পৰ্কে এনচাইক্লোপেডিয়া বিটেনিকাৰৰ সংজ্ঞাটো লিখা।

Write the definition given by Encyclopaedia Vritannica.

(৩) ভাৰতীয় সংবিধান খন কেতিয়াৰ পৰা বলবৎ হৈছিল?

When did the constitution of India came into force?

(৪) ভাৰতীয় সংবিধানৰ কোন নম্বৰ সংশোধনে ধৰ্মনিৰপেক্ষ শব্দটো সংবিধানত অন্তভূৰ্ক্ত কৰিলে?

Which Constitutional amendment incorporate the word 'Secular' in Indian Constitution?

(৫) ভাৰতীয় সংবিধানৰ কোন অনুচ্ছেদত ধৰ্মীয় স্বাধীনতাৰ বিষয়ে উল্লেখ আছে?

In which article of the Indian Constitution mention about religious liberty?

(৬) ধৰ্মনিৰপেক্ষতাৰ ক্ষেত্ৰত দেখা দিয়া এটা বাধা উল্লেখ কৰা।

Mention one hindrance to secularism in India.

(৭) আধুনিক সমাজ ব্যৱস্থাত ধৰ্ম নিৰপেক্ষতাৰ এটা প্ৰয়োজনীয়তা উল্লেখ কৰা।

Write one necessity of secularism in modern society?

Scanned by CamScanner